*Total number of printed pages–4*

**14 (ASM–3) 3096**

**2021**

**( Held in 2022 )**

**ASSAMESE**

Paper : ASM–3096

***( Assamese Vaisnavite, Saiva and Sakta Literature )***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। কেৱল উত্তৰটো দিয়া : ১×১০=১০

(ক) বিষ্ণুৰ মাহাত্ম্য উল্লেখ থকা মহাভাৰতৰ শান্তি পৰ্বৰ অধ্যায়টোক কি বোলে?

(খ) আলোৱাৰসকলে গোৱা গীত-পদৰ সংকলনটোক তামিল ভাষাত কি বোলে?

(গ) শংকৰাচাৰ্য্যই ৰচনা কৰা ব্ৰহ্মসূত্ৰৰ ভাষ্যখনৰ নাম কি?

(ঘ) ৰুদ্ৰসিংহই ৰচনা কৰা শিৱপুৰাণৰ মঙ্গলাচৰণত কাক "পুৰুষপুৰাণ" বুলি কোৱা হৈছে?

(ঙ) ৰুদ্ৰসিংহ বিৰচিত শিৱপুৰাণৰ বক্তাগৰাকী কোন?

Contd.

(চ) দক্ষিণ ভাৰতৰ শিৱভক্তসকলক কি নামেৰে জনা যায়?

(ছ) জৈমিনী মুনিয়ে পূৰ্বতে কোনজনা মুনিৰ ওচৰত দেৱীৰ বিষয়ে জানিব বিচাৰিছিল?

(জ) সুকৃস মুনিৰ ওচৰত নৰমাংস ভিক্ষা কৰা চৰাইৰূপী মায়াবীজন কোন?

(ঝ) শ্ৰীশ্ৰীচণ্ডীত বৰ্ণিত ধৰ্মপক্ষীৰ আখ্যানটো কোনখন পুৰাণৰ অন্তৰ্গত?

(ঞ) কীৰ্ত্তন-ঘোষাৰ হৰমোহন অধ্যায়ত থকা 'কীৰ্তন'ৰ সংখ্যা কিমান?

২। দুই-তিনিটা বাক্যত উত্তৰ দিয়া : ২×১০=২০

(ক) কি কি ভক্তিক লীলাময়ী আৰু কৰ্মময়ী ভক্তি আখ্যা দিয়া হৈছে?

(খ) বেদান্ত দৰ্শনৰ কি মতবাদে জগতক মায়াৰে পৰিণাম বুলি কৈছে? এই মতবাদটোৰ প্ৰবক্তাগৰাকী কোন?

(গ) সজ্জনৰ সঙ্গ নুগুচোক সৰ্বক্ষণে।
এতেকে প্ৰসাদ মাগো তোমাৰ চৰণে।।
—কীৰ্ত্তন-ঘোষাৰ 'হৰমোহন' অধ্যায়ৰ উল্লিখিত পদফাকিৰে কোনে কাৰ ওচৰত কি প্ৰসাদ মাগিছে?

(ঘ) তুমি সত্য ব্ৰহ্ম তোমাতে প্ৰকাশে
জগত ইটো অনন্ত।
জগততে সদা তুমিও প্ৰকাশা
অন্তৰ্য্যামি ভগৱন্ত।।
— কীৰ্ত্তন-ঘোষাৰ উক্তপদফাকি কোনে কাৰ ওচৰত ব্যক্ত কৰিছে? পদফাকিৰ মাজেৰে প্ৰকাশিত দৰ্শনটো কি?

(ঙ) নামঘোষাৰ প্ৰথম দুটা ঘোষাৰ মাজেৰে নৱবৈষ্ণৱ ধৰ্মৰ কি চাৰি বস্তু প্ৰকাশ পাইছে? মাধৱদেৱৰ ভজনীয় ভক্ত বা গুৰুৰ স্বৰূপ ইয়াত কি বুলি কোৱা হৈছে?

(চ) ৰুদ্ৰসিংহ বিৰচিত শিৱপুৰাণত ৰুদ্ৰ আৰু পশুপতি নামৰ ব্যাখ্যা কেনেদৰে দাঙি ধৰা হৈছে?

(ছ) ৰুদ্ৰসিংহ বিৰচিত শিৱপুৰাণত বৰ্ণিত শিৱৰ অষ্টস্থান সমূহ কি কি?

(জ) "বিপ্ৰ বোলে পুত্ৰ হুয়া নমানস বাপ
পাইবা পক্ষীজন্ম দিলো এহি শাপ॥"
— শ্ৰীশ্ৰীচণ্ডীকাব্যত থকা উল্লিখিত পদৰ আধাৰত কোনে কাক কিয় অভিশাপ দিছিল উল্লেখ কৰা।

(ঝ) বিষ্ণুৰ কাণৰ মলৰ পৰা সৃষ্ট দুই অসুৰ দুজন কোন? সিহঁতৰ নামৰ তাৎপৰ্য্য ব্যাখ্যা কৰা।

(ঞ) ৰক্ত অসুৰে কাক কাক আৰধনা কৰি কেনেধৰণৰ বৰ প্ৰাৰ্থনা কৰিছিল?

৩। চমু টোকা লিখা : *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) সাধন আৰু সাধ্য ভক্তি

(খ) আলৱাৰ আৰু নায়নমাৰ

(গ) শিৱ আৰু পাৰ্বতী

(ঘ) সুৰথ আৰু সমাধি বৈশ্য

(ঙ) ৰম্ভাসুৰ আৰু মহিষাসুৰ

(চ) ৰক্তবীজ আৰু কালিকা।

৪। বহলাই আলোচনা কৰা : (*যিকোনো তিনিটা*) ১০×৩=৩০

(ক) নৱবৈষ্ণৱ ধৰ্মৰ স্বৰূপ দাঙি ধৰি ইয়াৰ নৱবিধ ভক্তিৰ বিষয়ে আলোচনা কৰা।

(খ) ভাৰতীয় সাহিত্যত পুৰাণৰ স্থান নিৰ্ণয় কৰি মহাপুৰাণ আৰু উপপুৰাণৰ পাৰ্থক্য নিৰ্ণয় কৰা।

(গ) ৰুচিনাথ কন্দলীকৃত 'শ্ৰীশ্ৰীচণ্ডী'ৰ অনুবাদৰীতি সম্পৰ্কে আলোচনা কৰা।

(ঘ) " 'নামঘোষা'ত প্ৰধানতঃ তিনিটা ভাবৰ ধাৰা মিহলি হৈ বিশাল আনন্দ সাগৰৰ ফালে ধাৱমান হৈছে" — নামঘোষাৰ এই তিনিটা ধাৰা কি? উদাহৰণসহ আলোচনা কৰা।

(ঙ) ৰুদ্ৰসিংহ বিৰচিত শিৱপুৰাণত পুৰাণৰ বৈশিষ্ট্য কিমানদূৰ প্ৰতিফলিত হৈছে — বিচাৰ কৰা আৰু গ্ৰন্থখনৰ মাজেৰে শিৱ-মাহাত্ম্য কেনেদৰে প্ৰকাশ পাইছে আভাস দিয়া।

(চ) ৰুচিনাথ কন্দলীৰ শ্ৰীশ্ৰীচণ্ডীৰ মহিষাসুৰ বধ আখ্যানৰ যোগেদি দেৱীৰ মাহাত্ম্য আৰু শ্ৰেষ্ঠত্ব কেনেদৰে প্ৰকাশ পাইছে বিচাৰ কৰা।

---